**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-06-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। উল্লেখযোগ্য যে লোকসভাৰ ৫৪৩ খন আসনৰ ভিতৰত বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা অৰ্থাৎ এন ডি এই ২৯৩ খন আসন লাভ কৰি তৃতীয়বাৰৰ বাবে ক্ষমতা দখলৰ দিশে আগবাঢ়িছে। কালি প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ লগতে মন্ত্ৰীসভাৰ সদস্যসকলৰ পদত্যাগ পত্ৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক দাখিল কৰিছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে পদত্যাগ পত্ৰ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীক নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত কাৰ্যভাৰ চলাই নিবলৈ আহ্বান জনাইছিল। এই শপত গ্ৰহণ অনুষ্ঠানত প্ৰতিবেশী ৰাষ্ট্ৰ শ্ৰীলংকা, বাংলাদেশ, ভূটান, নেপাল আৰু মৰিছাছৰ ৰাষ্ট্ৰপ্ৰধান নাইবা চৰকাৰৰ মুৰব্বীয়ে অংশগ্ৰহণ কৰিব। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে কাইলৈ বিয়লি নতুন দিল্লীত উপস্থিত হ'ব আৰু শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি পুনৰ ৯ জুনত ঢাকালৈ উভতি যাব। ফোনযোগে হোৱা বাৰ্তালাপত শ্ৰীমোদীয়ে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীক শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনায়।

ইপিনে, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল উইক্ৰেমেসিংহেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ জনোৱা আমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাইছে। ফোন কলৰ উপৰি এটা সামাজিক মাধ্যমৰ বাৰ্তাত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে অলপতে হৈ যোৱা নিৰ্বাচনত এন ডি এ চৰকাৰে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বাবে আৰু একেৰাহে তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জনায়।

00000000

ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা-এন ডি এই চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হোৱাৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ সভাপতি জে পি নাড্ডাই আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী আৰু দলটোৰ জ্যেষ্ঠ নেতাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, মনসুখ মন্দাভিয়া, পীয়ুষ গোৱেল, অশ্বিনী বৈষ্ণৱকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। ইপিনে, বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ নেতা নীতিশ কুমাৰৰ ৰাষ্ট্ৰীয় ৰাজধানীত থকা বাসগৃহতো দলটোৰ কেইবাগৰাকীও নেতাই এখন বৈঠকত মিলিত হয়। এন ডি এৰ নেতাসকলে সৰ্বসন্মতিক্ৰমে নৰেন্দ্ৰ মোদীক তেওঁলোকৰ নেতা নিৰ্বাচিত কৰাৰ এদিন পাছতে এই বৈঠক অনুষ্ঠিত হৈছে। কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সংসদীয় দলৰ এখন বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত বিজেপি, টিডিপি, জেডিইউ, এল জে পি-আৰ, শিৱসেনা-সিন্দে গোট, জে ডি এছ আৰু এন ডি এৰ আন আন সহযোগী দলসমূহৰ নৱনিৰ্বাচিত সাংসদসকল উপস্থিত থকাৰ কথা। কালি এন ডি এৰ বৈঠকত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষৰ প্ৰতিটো ক্ষেত্ৰতে সৰ্বাংগীন বিকাশ হৈছে বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই প্ৰস্তাৱত দেশৰ জনসাধাৰণে ছটা দশকৰ পাছত একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে একক সংখ্যাগৰিষ্ঠতাৰে এটা শক্তিশালী নেতৃত্বক নিৰ্বাচিত কৰিছে বুলিও উল্লেখ কৰা হৈছে।

নতুন চৰকাৰ গঠন সন্দৰ্ভত সহযোগী দলসমূহৰ নেতা তথা বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে আলোচনা-বিলোচনা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও আজি নতুন দিল্লীলৈ ৰাওনা হ'ব।

0000000

এন ডি এৰ নতুন চৰকাৰত জে ডি ইউয়ে মন্ত্ৰীপদ লাভৰ বাবে কোনোধৰণৰ চৰ্ত আৰোপ কৰা নাই বুলি আজি প্ৰকাশ কৰিছে। দলটোৰ মুখপাত্ৰ কে চি ত্যাগীয়ে কয় যে বিজেপিৰ সভাপতি জে পি নাড্ডাই কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙক এন ডি এৰ সহযোগী দলসমূহৰ সৈতে মন্ত্ৰীসভা গঠন সম্পৰ্কত আলোচনা কৰাৰ দায়িত্ব অৰ্পণ কৰিছে আৰু এই উদ্দেশ্যে আলোচনা-বিলোচনা অব্যাহত আছে। তেওঁ অৱশ্যে কয় যে জে ডি ইউয়ে বিহাৰৰ দৰিদ্ৰতা, নিবনুৱা সমস্যা আৰু বহিঃৰাজ্যলৈ গমন আদিৰ দৰে ভালেমান সমস্যা সমাধানৰ বাবে ৰাজ্যখনক বিশেষ গুৰুত্ব দিয়াৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে জে ডি ইউয়ে বিহাৰত ১২খন লোকসভা আসনত বিজয়ী হৈছে। লোকসভা নিৰ্বাচনত বিজেপিয়ে একক সংখ্যাগৰিষ্ঠতা লাভৰ ক্ষেত্ৰত পিছপৰি থকাৰ বাবে এন ডি এৰ চৰকাৰ গঠনত দলটোৰ এটা বিশেষ ভূমিকা থাকিব।

oooooooo

যোৱা ২৪ ঘণ্টাত বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত অসমৰ বান পৰিস্থিতি কিছু উন্নত হৈছে। শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা ২ লাখ ৪৬ হাজাৰলৈ হ্ৰাস পাইছে। ইপিনে, কাছাৰত এজন লোকৰ মৃত্যু হোৱাৰ পাছত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫লৈ বৃদ্ধি পাইছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি কাছাৰ, কৰিমগঞ্জ, মৰিগাঁও, হোজাই, নগাঁও, ডিমা হাচাও, হাইলাকান্দি আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ কিছু কিছু এলেকা এতিয়াও বানৰ কবলত আছে। ৩৭৫খন গাঁৱৰ ২২ হাজাৰতকৈও অধিক লোক সম্প্ৰতি ১১২টা সাহায্য শিবিৰত আশ্ৰয় লোৱাৰ লগতে ৫ হাজাৰ হেক্টৰতকৈও অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে।

বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসমৰ লগতে উত্তৰ-পূবৰ ৰাজ্যকেইখনত পাতলীয়াৰ পৰা মজলীয়া আৰু বিজুলী-গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে, ৰাজ্যৰ বিভিন্ন স্থানত বানৰ লগতে খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে। কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ সৰলপাৰা গাঁৱৰ সৰলভাঙা নৈৰ খহনীয়াই ভালেমান অঞ্চল খহাই নিয়াৰ উপক্ৰম হৈছে। জনসাধাৰণে বিটিআৰ প্ৰশাসন আৰু অসম চৰকাৰক এই সমস্যাৰ সমাধান বিচাৰি আহ্বান জনাইছে। একেদৰে কপিলী নৈৰ বানে যমুনামুখৰ নিকটৱৰ্তী কুম্ভিৰডুবি অঞ্চল ক্ষতিগ্ৰস্ত কৰিছে। অঞ্চলটোৰ ঠায়ে ঠায়ে কেইবাটাও পথ বানে ছিগি পেলোৱাত যাতায়াতৰ সমস্যা হৈছে।

oooooooo

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত আজি ডালাছৰ গ্ৰেণ্ড প্ৰেইৰী ষ্টেডিয়ামত আমেৰিকা যুক্তৰাষ্ট্ৰ, পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৯ বজাত আৰম্ভ হ'ব। আন এখন খেলত বাৰ্বাডোজৰ কেন্সিংটন অভেলত নামিবিয়া, স্কটলেণ্ডৰ সন্মুখীন হ'ব।

ইপিনে, আজি পুৱা অনুষ্ঠিত দুখন খেলত অষ্ট্ৰেলিয়াই ওমানক ৪৯ ৰানত আৰু উগাণ্ডাই পাপুৱা নিউ গিনিক ৩ উইকেটত পৰাস্ত কৰে।

প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ পৰৱৰ্তী খেল দুখনত ভাৰত অহা ৯ আৰু ১২ জুনত ক্ৰমে পাকিস্তান আৰু সহ আয়োজক আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটো ফ্লৰিডাত ১৫ জুনত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত কানাডাৰ মুখামুখি হ'ব।

ooooooo

**সমাপ্ত**